# 2019

# ECONOMICS

## ( Honours )

Paper : ECO–HC–1016

**( Microeconomics )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** Answer the following as directed : 1×10=10

তলত দিয়াসমূহৰ নিৰ্দেশ অনুসৰি উত্তৰ দিয়া :

(a) Define a household.

পৰিয়ালৰ সংজ্ঞা দিয়া।

(b) What is producer's surplus?

উৎপাদকৰ উদ্বৃত্ত কি?

(c) Mention one feature of capitalism.

পুঁজিবাদৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

(d) What do you mean by price rationing?

Price rationing বুলিলে কি বুজা?

*(e)* Define marginal productivity of labour.

শ্ৰমৰ প্ৰান্তিক উৎপাদনশীলতাৰ সংজ্ঞা দিয়া।

*(f)* Fill in the blank :

খালী ঠাই পূৰণ কৰা :

$$MRP_L = MPP_L \times ____.$$

*(g)* For a Giffen good, income effect is

Giffen good-ৰ আয় বিপাক হ'ল

*(i)* positive

ধনাত্মক

*(ii)* negative

ঋণাত্মক

*(iii)* constant

স্থিৰ

*(iv)* Both *(i)* and *(ii)*

উভয় *(i)* আৰু *(ii)*

(Choose the correct option)

( শুদ্ধ বিকল্পটো বাছি উলিওৱা )

*(h)* Why is the average cost (AC) curve U-shaped?

গড় ব্যয় (AC) ৰেখা U-আকৃতিৰ হয় কিয় ?

*(i)* Define opportunity cost.

সুযোগ ব্যয়ৰ সংজ্ঞা দিয়া।

*(j)* How does technological innovation affect the supply curve?

প্ৰযুক্তিগত আৱিষ্কাৰে যোগান ৰেখাক কিদৰে প্ৰভাৱিত কৰে?

**2.** Write short answers of the following questions : 2×5=10

তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া :

*(a)* What is meant by property rights?

সম্পত্তি স্বত্বই কি বুজায়?

*(b)* If $B = X \cdot P_X + Y \cdot P_Y$, where $B$ represents money income of the consumer, $P_X$ and $P_Y$ represent prices of goods $X$ and $Y$ respectively, find the slope of the equation.

যদি $B = X \cdot P_X + Y \cdot P_Y$ হয়, য'ত $B$ হ'ল উপভোক্তাৰ আয়, $P_X$ আৰু $P_Y$ হ'ল ক্ৰমে $X$ আৰু $Y$ দ্ৰব্যৰ দাম, সমীকৰণটোৰ ঢাল উলিওৱা।

*(c)* State two exceptions to the law of demand.

চাহিদা বিধিৰ দুটা ব্যতিক্ৰম লিখা।

*(d)* Mention two government policies to enhance competition in the market.

বজাৰত প্ৰতিযোগিতা বৃদ্ধি কৰিব পৰা দুটা চৰকাৰী নীতি উল্লেখ কৰা।

(e) Point out two characteristics of labour market.

শ্ৰম বজাৰৰ দুটা বৈশিষ্ট্য লিখা।

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Discuss the basic economic problems faced by an economy. 5

এখন অৰ্থনীতিত থকা মূল অৰ্থনৈতিক সমস্যাবোৰ আলোচনা কৰা।

(b) Briefly explain the principle of diminishing marginal rate of substitution. What role does it play in shaping indifference curves? 3+2=5

ক্ৰমহ্ৰাসমান প্ৰতিকল্পনৰ প্ৰান্তিক হাৰ নীতিটো চমুকৈ ব্যাখ্যা কৰা। নিৰপেক্ষ ৰেখা গঢ় দিয়াত ই কি ভূমিকা গ্ৰহণ কৰে?

(c) Distinguish between bar diagram and histogram. 5

দণ্ড চিত্ৰ আৰু স্তম্ভলেখৰ পাৰ্থক্য নিৰূপণ কৰা।

(d) What is cross-elasticity of demand? How do you infer about the nature of two goods on the basis of cross-elasticity of demand? 2+3=5

চাহিদাৰ তিৰ্যক স্থিতিস্থাপকতা কি? চাহিদাৰ তিৰ্যক স্থিতিস্থাপকতাৰ ভিত্তিত দুটা দ্ৰব্যৰ প্ৰকৃতি কিদৰে অনুমান কৰিবা?

(e) Explain how an income-consumption curve of a consumer consuming two products is derived. 5

দুটা সামগ্ৰী উপভোগ কৰা উপভোক্তা এজনৰ আয়-উপভোগ ৰেখা কিদৰে নিৰ্ণয় কৰা হয়, ব্যাখ্যা কৰা।

(f) Explain the various factors responsible for the shift in the demand curve of an individual consumer. 5

ব্যক্তিবিশেষ উপভোক্তাৰ চাহিদা ৰেখা স্থানান্তৰিত কৰা বিভিন্ন কাৰকবোৰ ব্যাখ্যা কৰা।

4. Answer the following questions : 10×4=40

তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা :

(a) Discuss the scope of Economics. State the basic assumptions of Economics. 6+4=10

অৰ্থবিজ্ঞানৰ পৰিসৰ আলোচনা কৰা। অৰ্থবিজ্ঞানৰ মূল অভিধাৰণাবোৰ লিখা।

*Or / অথবা*

Critically discuss the marginal productivity theory of labour. 10

শ্ৰমৰ প্ৰান্তিক উৎপাদনশীলতা তত্ত্বৰ সমালোচনাত্মক ব্যাখ্যা আগবঢ়োৱা।

(b) Explain the behaviour of a profit maximizing firm in the short-run. 10

হ্ৰস্বকালীন সময়ত এখন লাভ সৰ্বোচ্চকৰণ প্ৰতিষ্ঠানৰ আচৰণ ব্যাখ্যা কৰা।

*Or / অথবা*

Distinguish between direct tax and indirect tax. Show the impact of imposition of a sales tax on market equilibrium. 4+6=10

প্ৰত্যক্ষ কৰ আৰু পৰোক্ষ কৰৰ পাৰ্থক্য লিখা। বজাৰ ভাৰসাম্যৰ ওপৰত বিক্ৰী কৰ আৰোপৰ প্ৰভাৱ দেখুওৱা।

(c) Explain how price effect of change in price of a good can be decomposed into income effect and substitution effect. 10

এটা দ্ৰব্যৰ দৰ পৰিৱৰ্তনৰ দৰ বিপাক কিদৰে আয় বিপাক আৰু প্ৰতিকল্পন বিপাকত ভগাব পাৰি, ব্যাখ্যা কৰা।

*Or / অথবা*

Show the trade-off between work and leisure at different levels of wage rates. Why is the labour supply curve backward bending? 6+4=10

বিভিন্ন মজুৰিৰ হাৰত কৰ্ম আৰু বিশ্ৰামৰ বৈপৰিত্য দেখুওৱা। শ্ৰমৰ যোগান ৰেখা পিছফালে ভাজখোৱা কিয়?

(*d*) Show that average cost is the combination of average fixed cost and average variable cost. Write a note on the slope of the average variable cost curve. Also explain the relationship between average cost and average variable cost curves. 4+3+3=10

দেখুওৱা যে গড় ব্যয় হ'ল গড় স্থিৰ ব্যয় আৰু গড় পৰিৱৰ্তনশীল ব্যয়ৰ যোগফল। গড় পৰিৱৰ্তনশীল ব্যয় ৰেখাৰ ঢালৰ ওপৰত এটি টোকা লিখা। গড় ব্যয় আৰু গড় পৰিৱৰ্তনশীল ব্যয় ৰেখাৰ সম্পৰ্কটোও ব্যাখ্যা কৰা।

*Or / অথবা*

Discuss the rationale behind regulation of monopoly practices. What role do antitrust policies play in monopoly regulation? 7+3=10

একচেতিয়া ব্যৱসায় নিয়ন্ত্ৰণ কৰাৰ যুক্তিযুক্ততা আলোচনা কৰা। একচেতিয়া ব্যৱসায় নিয়ন্ত্ৰণত ন্যাস-বিৰোধী উপায়বোৰে কি ভূমিকা লয়?

★★★